# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত ইণ্ডিয়ান চেম্বাৰ অব কৰ্মাচে আয়োজন কৰা এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ১৪০ গৰাকীৰো অধিক উদ্যোগপতিৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মত বিনিময়।

২। লোকনিৰ্মাণ বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা কাৰিকৰী শাখাৰ ১৮ গৰাকী সহকাৰী অভিযন্তাক আজি নিযুক্তিপত্ৰ প্ৰদান।

৩। ওদালগুৰি জিলাৰ মাজবাটত এগৰাকী নাবালিকাক দলবদ্ধ ধৰ্ষণৰ ঘটনাৰ ৫ জন অভিযুক্তক আজি বিশেষ জিলা আৰু ছেছন আদালতৰ যাবজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত।

৪। কোচ ৰাজবংশী সন্মিলীত মঞ্চই কাইলৈ আহ্বান জনোৱা ১২ ঘণ্টীয়া অসম বন্ধ সাময়িকভাৱে প্ৰত্যাহাৰ।

*আৰু*

৫। কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত আজিৰে পৰা বড়োলেণ্ড ক্ৰীড়া সমাৰোহৰ তৃতীয় সংস্কৰণ আৰম্ভ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত ইণ্ডিয়ান চেম্বাৰ অব কৰ্মাচে আয়োজন কৰা এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ১৪০ গৰাকীৰো অধিক উদ্যোগপতিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কোৰিয়াৰ কোম্পানীসমূহক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। প্ৰকৃতিৰ অনবদ্য অৱদানেৰে ভৰপূৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ ব্যাপক সম্ভাৱনাৰ কথা মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

*(বাইট ঃ চি এম)*

ডঃ শৰ্মাই লগতে কোৰিয়া বাণিজ্য-বিনিয়োগ প্ৰসাৰ সংস্থাৰ অধ্যক্ষ কিয়ুং চুং কা আৰু সংস্থাটোৰ অন্যান্য প্ৰতিনিধিসকলৰ সৈতেও আলোচনাত মিলিত হয়। বৈঠকত অসম আৰু কোৰিয়াৰ ব্যৱসায় কেন্দ্ৰিক পাৰস্পৰিক লাভালাভক প্ৰধান্য দি ব্যৱসায়, বাণিজ্য, উদ্যোগ আৰু দক্ষতাৰ ক্ষেত্ৰত বিকাশ আৰু উন্নয়নৰ হকে অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিসকলক অসমৰ সমৃদ্ধ পৰ্যটন সম্ভাৱনাৰ কথা অৱগত কৰোৱাৰ লগতে ৰাজ্যত ছেমি কণ্ডাক্টৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে।

*(বাইট ঃ চি এম)*

দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰীয়ে টকিঅ'ত উদ্যোগপতি তথা ব্যৱসায়িক নেতৃত্বৰ সৈতেও আলোচনাত মিলিত হ'ব। জাপান আৰু দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তত অহা ১০ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰলৈ ৰাওনা হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা কাৰিকৰী শাখাৰ ১৮ গৰাকী সহকাৰী অভিযন্তাক আজি নিযুক্তিপত্ৰসমূহ প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ দিছপুৰত অৱস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন তথা প্ৰশিক্ষণ কেন্দ্ৰত আজি পুৱা আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰে ৰূপায়ণ কৰি থকা স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে বিগত বৰ্ষৰ ৭ অক্টোবৰ পৰ্যন্ত ১ লাখ ২৫ হাজাৰ ৩০ গৰাকী শিক্ষিত নিবনুৱাক নিযুক্তি দিয়া হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

ৰাজ্যৰ ১৪ খন জিলাক সামৰি আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়ন আৰম্ভ হৈছে। দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত সামৰি লোৱা ১৪ খন জিলা হৈছে- বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং। শিক্ষা বিভাগৰ তথ্য অনুসৰি আজিৰে পৰা ২২ জানুৱাৰীলৈ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ৰ ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে। ইয়াৰ বাবে ইতিমধ্যে ৬ হাজাৰ ৫৩ গৰাকী বহিঃ নিৰীক্ষকক দায়িত্ব প্ৰদান কৰা হৈছে।

কামৰূপ মহানগৰৰ গুৱাহাটীৰ তাৰিণী চৰণ চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়তো আজিৰে পৰা গুণোৎসৱৰ বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে।

বাক্সা জিলাতো বিদ্যালয়সমূহৰ গুণগত মান নিৰ্ণয়ৰ বাবে ২০২৫ বৰ্ষৰ গুণোৎসৱৰ বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে। জিলাখনৰ শিক্ষা বিভাগে জনোৱা অনুসৰি এই গুণোৎসৱত বাক্সা, জালাহ, টিহু, বৰমা, তামুলপুৰ আৰু গোৰেশ্বৰ শিক্ষা খণ্ডক সাঙুৰি সৰ্বমুঠ এহেজাৰ ৬৮৫ খন বিদ্যালয়ৰ এক লাখ ৬৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। বাক্সা আৰু তামুলপুৰ জিলাত এই গুণোৎসৱ সুকলমে নিৰীক্ষণ কৰিবলৈ ৬৮৭ গৰাকী বহিঃমূল্যায়কক দায়িত্ব প্ৰদান কৰা হৈছে।

শোণিতপুৰ জিলাত আজিৰে পৰা জিলাখনৰ বিভিন্ন বিদ্যালয়ত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে। এই উপলক্ষে জিলা আয়ুক্ত অংকুৰ ভৰালীয়ে জিলা সদৰত থকা বিদ্যালয়সমূহ পৰিদৰ্শন কৰে।

চৰাইদেউ জিলাৰ পি এম শ্ৰী মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি পৰিবহণ মন্ত্ৰী যোগেন মহনে গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়।

ooooo

২০২৪ চনৰ ২২ জুনত ওদালগুৰি জিলাৰ মাজবাটত এগৰাকী নাবালিকাক দলবদ্ধ ধৰ্ষণৰ ঘটনাত অভিযুক্ত ৫ জন লোকক আজি ওদালগুৰিৰ বিশেষ জিলা আৰু ছেছন আদালতে যাবজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। জিলা আৰু ছেছন ন্যায়াধীশ এছ এন দেউৰীৰ আদালতে আজি ভাৰতীয় দণ্ডবিধি আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত অভিজুল আলী, ছাদ্দাম হুছেইন, মুস্তাক আহমেদ, এহছান আহমেদ আৰু মহিদুল ইছলামক যাবজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে প্ৰত্যেককে ২০ হাজাৰ টকাকৈ জৰিমনা বিহে। উল্লেখযোগ্য যে টিউচনৰ পৰা উভতা পথত এগৰাকী কিশোৰীক এই ৫ জন লোকে মাজবাট চাহ বাগিচাৰ নিৰ্জন ঠাইত ধৰ্ষণ কৰিছিল।

আমাৰ ওদালগুৰিৰ সংবাদদাতাই জনোৱা মতে এই ঘটনাৰ পাছত সমগ্ৰ ৰাজ্যতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল আৰু ওদালগুৰিত প্ৰতিবাদকাৰীয়ে অভিযুক্ত অভিজুল আলীৰ বাসগৃহও জ্বলাই দিছিল। আজিৰ ৰায়দান সন্দৰ্ভত চৰকাৰী অধিবক্তাগৰাকীয়ে এইদৰে কয়-

**বাইট (অধিবক্তা)**

ooooo

যোৱা বছৰৰ ৯ আগষ্টত কোলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী যুৱতী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ অপৰাধত আজি শিয়ালদহৰ এখন আদালতে অভিযুক্ত সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। শিয়ালদহৰ আদালতৰ বিচাৰক অনিৰ্বাণ দাসে অৱশ্যে এই অপৰাধক অতিশয় বিৰল বুলি গণ্য কৰিব নোৱাৰি বুলি ৰায় দিয়ে আৰু অভিযুক্ত ৰয়ক আমৃত্যু কাৰাবাসৰ নিৰ্দেশ দিয়ে। ভাৰতীয় ন্যায় সংহিতাৰ ৬৪, ৬৬ আৰু ১০৩ - এক্ট ধাৰাৰ অধীনত শনিবাৰে সঞ্জয় ৰায়ক আদালতে দোষী সাব্যস্ত কৰিছিল যদিও ৰায়দান আজিলৈ স্থগিত ৰাখিছিল। উল্লেখযোগ্য যে, দেশ কপোৱা এই যুৱতী চিকিৎসকগৰাকী যোৱা বছৰৰ ৯ আগষ্টৰ দিনা কৰ্তব্যৰত অৱস্থাত ধৰ্ষণৰ বলি হৈছিল আৰু তেওঁৰ মৃতদেহ চিকিৎসালয়খনৰ ছেমিনাৰ কক্ষত উদ্ধাৰ কৰা হৈছিল। ১০ আগষ্টত কলকাতা আৰক্ষীয়ে সেই হাস্পতালৰে স্বেচ্ছাসেৱক অভিযুক্ত সঞ্জয় ৰায়ক গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী কালত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যতে এই ঘটনাৰ প্ৰতিবাদ তীব্ৰতৰ হৈ উঠে আৰু কণিষ্ঠ চিকিৎসকসকলেও দীৰ্ঘদিন ধৰি অৱস্থান ধৰ্মঘট পালন কৰে। পশ্চিমবংগৰ চৰকাৰে এই ঘটনাৰ তদন্তৰ ভাৰ কেন্দ্ৰীয় অনুসন্ধান সংস্থা চিবিআইৰ ওপৰত ন্যস্ত কৰে। চিবিআইয়ে যোৱা ৯ নৱেম্বৰত অভিযুক্ত সঞ্জয় ৰায়ৰ বিৰুদ্ধে শিয়ালদহৰ আদালতত অভিযোগনামা দাখিল কৰে। ১১ নৱেম্বৰৰ পৰা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ১৮ জানুৱাৰীত অভিযুক্ত সঞ্জয় ৰায়ক আদালতে দোষী সাব্যস্ত কৰে।

ooooo

কোচ ৰাজবংশী সন্মিলীত মঞ্চই কাইলৈ আহ্বান জনোৱা ১২ ঘণ্টীয়া অসম বন্ধ সাময়িকভাৱে প্ৰত্যাহাৰ কৰিছে। কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত সংস্থাটোৱে যোৱা ৭ জানুৱাৰীত অসম বন্ধ ঘোষণা কৰিছিল। মঞ্চৰ ১৪ জনীয়া এটা প্ৰতিনিধি দলে যোৱা শনিবাৰে গুৱাহাটীত মন্ত্ৰী পীযুষ হাজৰিকাৰ সৈতে এই সন্দৰ্ভত আলোচনাত মিলিত হয়। আলোচনাত শ্ৰী হাজৰিকাই জনগোষ্ঠীটোৰ দাবীসমূহৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে আনুষ্ঠানিক বৈঠক অনুষ্ঠিত কৰোৱাৰ প্ৰতিশ্ৰুতি দি তেওঁলোকক অসম বন্ধ উঠাই ল'বলৈ আহ্বান জনায়। সেই অনুসৰি সন্মিলীত মঞ্চই আজি বঙাইগাঁৱত এখন সংবাদমেল অনুষ্ঠিত কৰি বন্ধ উঠাই লোৱাৰ কথা ঘোষণা কৰে। মঞ্চই লগতে অহা ৪ ফেব্ৰুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰীৰ সৈতে বৈঠক অনুষ্ঠিত নহ'লে পুনৰ অসম বন্ধৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

ooooo

ন্যায়াধীশ কাৰ্ডাক ইতে আৰু ন্যায়াধীশ মৃদুল কুমাৰ কলিতাই কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে শপতগ্ৰহণ কৰিব। কাইলৈ দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ন্যায়াধীশ ইতে আৰু ন্যায়াধীশ কলিতাক শপতবাক্য পাঠ কৰোৱাব।

ooooo

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত কাইলৈ পেন আই আই টি ৱৰ্ল্ড অব্ টেকন'লজি মিট  ২০২৫ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিষ্ঠানটোৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ

প্ৰচেষ্টাত হ'বলগীয়া প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় এই সন্মিলনখন কাইলৈ পুৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি এছ্‌ কোটাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। গুৱাহাটী প্ৰেছ ক্লাবত কালি আয়োজিত এখন সংবাদ মেলত আই আই টি গুৱাহাটীৰ একাংশ বিষয়ববীয়াই এই কথা জানিবলৈ দি কয়, যে কাইলৈৰ এই অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক সঞ্চালক অধ্যাপক ডি এন বুঢ়াগোহাঁই আৰু প্ৰাক্তন সঞ্চালক অধ্যাপক গৌতম বৰুৱাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ আজি মৃত্যু দিৱস। জাতীয়তাবোধ আৰু মানৱতাবোধৰ কবিতা, নাটক ৰচনাৰে সমাজ জীৱনক জগাই তুলি জাতীয় স্বাৰ্থৰ হকে ঐক্যবদ্ধ হ'বলৈ প্ৰেৰণা যোগোৱা কবিগৰাকীয়ে অনন্য সাহিত্যৰাজিৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতলৈ প্ৰভূত বৰঙণি আগবঢ়াই থৈ গৈছে। বৰপেটা সাহিত্য সভাৰ উদ্যোগত আজি কবিগৰাকীৰ স্মৃতিত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচী আৰম্ভণিতে অসম সাহিত্য সভাৰ পতাকা উত্তোলন আৰু বৰপেটা সাহিত্য সভাৰ চৌহদত থকা কবিগৰাকীৰ আৱক্ষ মূৰ্তিত স্মৃতি তৰ্পণ কৰা হয়। বিয়লি সাহিত্য সভাৰ কাৰ্যালয়ৰ অম্বিকাগিৰি বাণীকান্ত ভৱনত এখন স্মৃতি সভাৰ আয়োজন কৰা হয়। সভাত বিদ্ৰোহী কবিগৰাকীৰ সাহিত্য, দেশপ্ৰেম আৰু সমাজক সচেতন কৰি তোলাৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কবি প্ৰসন্নলাল চৌধুৰীৰ মৃত্যু দিৱসত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০০

ৰাজ্যত পহিলা জানুৱাৰীত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ সৈতে সংগতি ৰাখি আজি শিৱসাগৰ জিলাৰ পৰিবহন নিগমৰ বাছ্‌ আস্থানত এখন সজাগতা সভা অনুষ্ঠিত হয়। পথ সজাগতাৰ উদ্দেশ্যে সভাত এখন বাটৰ নাটো প্ৰদৰ্শন কৰা হয়। শিৱসাগৰ জিলা পৰিবহন বিষয়া কাৰ্যালয় আৰু উজনি অসম বাছ্‌ মালিক সন্থাৰ উদ্যোগত আয়োজিত এই পথ সজাগতা সভাত পৰিবহন মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে যান-বাহন চলাওতে যাৱতীয় নিয়ম মানি চলাৰ লগতে সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। ৰাজ্য চৰকাৰে পথ সুৰক্ষা নিশ্চিত কৰণৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এইবেলি নৱবৰ্ষ উদযাপনৰ লগতে মাঘ বিহুৰ সময়ত পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ বিশেষভাৱে সফল হৈছে। পথ দুৰ্ঘটনাত কোনো লোক আহত হ'লে চৰকাৰে চিকিৎসাৰ বাবে খৰচ বহন কৰে বুলিও শ্ৰী মহনে এই সভাতে সদৰী কৰে।

০০০০০

আয় বৰ্হিভূত সম্পত্তিৰ গোচৰত মুখ্যমন্ত্ৰী তদাৰকী কোষে আজি গুৱাহাটী মহানগৰীৰ ভঙাগড়ৰ আনন্দ নগৰ আৰু জয়া নগৰত থকা কোকৰাঝাৰৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱাৰ দুটাকৈ বাসগৃহত পৃথকে পৃথকে অভিযান চলায়। কেইবাঘণ্টা ধৰি চলা অভিযানৰ অন্তত তদন্তকাৰী বিষয়াসকলে সূৰ্য বৰুৱাৰ বাসগৃহৰ পৰা ৩৭ লক্ষাধিক টকাৰ লগতে এটা পিষ্টল আৰু গুলী উদ্ধাৰ কৰে। ইয়াৰ লগতে অভিযানত কেইবাখনো বিলাসী বাহন জব্দ কৰা হৈছে। মুখ্যমন্ত্ৰী তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰজী কলিতাই এই সমগ্ৰ অভিযান তদাৰক কৰে।

০০০০০

কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত আজিৰে পৰা বড়োলেণ্ড ক্ৰীড়া সমাৰোহৰ তৃতীয় সংস্কৰণ আৰম্ভ হৈছে। বিটিচি ক্ৰীড়া বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা এই ক্ৰীড়া সমাৰোহ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে

উদ্বোধন কৰে। এই ক্ৰীড়া সমাৰোহত বিটিআৰৰ ৫ খন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰিৰ প্ৰায় এহেজাৰ ক্ৰীড়াবিদে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগীসকলে এথলেটিকছৰ বিভিন্ন শাখাৰ লগতে ফুটবল, ভলীবল, কাবাডী, ধনু চালনা আৰু কেইবাবিধো থলুৱা খেলৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। পৰহিলৈ এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

ooooo

সমাপ্ত